# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date : 23**-07-2024
**Time :** 1800 Hrs.

## *ASSAMESE REGIONAL EVENING BULLETIN*
**::::::::::::::::::::::::::::::::::::::**

কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমনে আজি লোকসভাত ২০২৪-২৫ বিত্তীয় বৰ্ষৰ সাধাৰণ বাজেট দাখিল কৰে। এই বাজেটত সকলোৰে বাবে সুযোগ সৃষ্টিৰ উদ্দেশ্যে ৯টা অগ্ৰাধিকাৰৰ কথা উল্লেখ কৰা হৈছে। এই অগ্ৰাধিকাৰসমূহ হৈছে – উৎপাদনশীলতা আৰু কৃষিৰ স্থিতিস্থাপকতা, কৰ্ম সংস্থাপন আৰু দক্ষতাৰ বিকাশ, সৰ্বাত্মক মানৱ সম্পদ উন্নয়ন আৰু সামাজিক ন্যায়, নিৰ্মাণ আৰু সেৱা, নগৰ উন্নয়ন, শক্তি সুৰক্ষা, আন্তঃগাঁথনি, উদ্ভাৱন, গৱেষণা আৰু উন্নয়ন তথা পৰৱৰ্তী প্ৰজন্মৰ সংস্কাৰ।

বাজেট দাখিল কৰি বিত্তমন্ত্ৰীগৰাকীয়ে কৃষি, ক্ষুদ্ৰ, লঘু আৰু মজলীয়া উদ্যোগ, নিৰ্মাণ তথা আন্তঃগাঁথনি খণ্ডৰ বাবে ভালেমান পদক্ষেপৰ কথা ঘোষণা কৰে। শ্ৰীমতী সীতাৰমনে প্ৰধানমন্ত্ৰীৰ কৰ্ম সংস্থাপন আৰু দক্ষতা বিকাশ পেকেজৰ বিষয়ে ঘোষণা কৰে। এই পেকেজৰ অধীনত কৰ্ম সংস্থাপনৰ সৈতে জড়িত উদ্গনিমূলক ধনৰাশি প্ৰদানৰ তিনিখন আঁচনিৰ কথা মন্ত্ৰীগৰাকীয়ে ঘোষণা কৰে। প্ৰথমখন আঁচনিৰ অধীনত সকলো আনুষ্ঠানিক খণ্ডৰ কৰ্ম শক্তি হিচাপে যোগদান কৰা সকলো নতুন ব্যক্তিক এমাহৰ দৰমহা প্ৰদান কৰা হ'ব। দ্বিতীয়খন আঁচনিৰ জৰিয়তে নিৰ্মাণ খণ্ডত কৰ্ম সংস্থাপন সৃষ্টি কৰা হ'ব আৰু তৃতীয়খন আঁচনিৰ জৰিয়তে নিয়োগকৰ্তাসকলক সহায় আগবঢ়োৱা হ'ব। কেন্দ্ৰীয় বিত্তমন্ত্ৰীগৰাকীয়ে কয় যে দেশত শক্তিশালী আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে যথেষ্ট বিনিয়োগ কৰা হৈছে। আন্তঃগাঁথনি উন্নয়নৰ বাবে মূলধনী ব্যয়ৰ বাবদ ১১ লাখ কোটিৰো অধিক টকা আবণ্টন দিয়া হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। এই ধন দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩ দশমিক ৪ শতাংশ। শ্ৰীমতী সীতাৰমনে কয় যে কেন্দ্ৰীয় চৰকাৰে দেশৰ পূব প্ৰান্তৰ উন্নয়নৰ বাবে উদ্যোগিক কৰিড'ৰ স্থাপনত সহায় আগবঢ়াব। চৰকাৰে ঘৰুৱা উৎপাদন আৰু গুৰুত্বপূৰ্ণ খনিজাত সামগ্ৰীৰ পুনৰ্ব্যৱহাৰ্যকৰণৰ বাবে গুৰুত্বপূৰ্ণ খনিজ অভিযান আৰম্ভ কৰিব। তেওঁ কয় যে প্ৰধানমন্ত্ৰী নগৰীয়া আবাস যোজনাৰ দ্বিতীয় পৰ্যায়ৰ অধীনত ১০ লাখ কোটি টকাৰে ১ কোটি দুখীয়া আৰু মধ্য বিত্ত শ্ৰেণীৰ পৰিয়ালৰ বাসগৃহৰ আৱশ্যকতা পূৰণ কৰা হ'ব। বিত্ত মন্ত্ৰীগৰাকীয়ে লগতে কৰ্কট ৰোগীসকলক সকাহ প্ৰদানৰ উদ্দেশ্যে আৰু তিনিবিধ ঔষধক সীমা শুল্কৰ আওতাৰ বাহিৰত ৰখাৰ কথা ঘোষণা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে সোণ-ৰূপৰ ওপৰত আৰোপিত সীমা শুল্ক ১৬ শতাংশলৈ আৰু হীৰাৰ ওপৰত আৰোপিত সীমা শুল্ক ৬ দশমিক ৪ শতাংশলৈ হ্ৰাস কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে কেতবোৰ বিশেষ বিত্তীয় সম্পদৰ ক্ষেত্ৰত মূলধনী মুনাফাৰ ৰেহাইৰ সীমা বছৰি ১ লাখ ২৫ হাজাৰ টকালৈ বৃদ্ধিৰ প্ৰস্তাৱ দিয়ে। ব্যক্তিগত আয়কৰৰ ক্ষেত্ৰত বিত্তমন্ত্ৰীগৰাকীয়ে বাজেটত বিশেষ ঘোষণা কৰিছে। এই অনুসৰি ৩ লাখ টকা পৰ্যন্ত আয়ৰ ক্ষেত্ৰত কোনোধৰণৰ কৰ প্ৰযোজ্য নহ'ব। ৩ৰ পৰা ৭ লাখ টকা পৰ্যন্ত আয়কৰ ৫ শতাংশ, ৭ৰ পৰা ১০ লাখ টকা পৰ্যন্ত ১০ শতাংশ, ১০ৰ পৰা ১২ লাখলৈকে ১৫ শতাংশ, ১২ৰ পৰা ১৫ লাখলৈকে ২০ শতাংশ আৰু ১৫ লাখ টকাৰ ওপৰৰ আয়ৰ ক্ষেত্ৰত ৩০ শতাংশ হ'ব।

অসম, বিহাৰ, হিমাচল প্ৰদেশ, উত্তৰাখণ্ড আৰু ছিকিমলৈ বান ব্যৱস্থাপনা প্ৰকল্পৰ সমৰ্থনত আৰ্থিক অনুদান আগবঢ়োৱাৰ প্ৰস্তাৱ দিয়া হয়।

oooooooo

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই আজি নগাঁৱত উপস্থিত হৈ জিলাখনৰ বান পৰিস্থিতিৰ বুজ লয়। জিলাখনৰ অভিভাৱক মন্ত্ৰীগৰাকীয়ে আজি জিলা প্ৰশাসনৰ বিষয়ববীয়াৰ সৈতে এখন পৰ্যালোচনা বৈঠকতো অংশ লয়। বৈঠকৰ পাছত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত মন্ত্ৰীগৰাকীয়ে কয় যে, শীঘ্ৰে বানত ক্ষতিগ্ৰস্তসকলকো সাহায্য প্ৰদান কৰা হ'ব। তেওঁ কয় যে জিলাখনৰ চাৰি লাখ লোক আৰু ৪৫০ টা বাসগৃহ এই বানত ক্ষতিগ্ৰস্ত হৈছে। বাৰিষাৰ পাছতে জিলাখনৰ কামপুৰৰ চাংচকীত উন্নত প্ৰযুক্তিৰে মথাউৰি নিৰ্মাণ কৰা হ'ব বুলি তেওঁ উল্লেখ কৰে। তদুপৰি প্ৰধানমন্ত্ৰী আবাস যোজনাৰ অধীনত পৰৱৰ্তী সময়ত

জিলাখনত ৬০ হাজাৰ গৃহ নিৰ্মাণ কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে নগাঁও পৌৰসভাৰ অন্তৰ্গত ৰত্নকান্ত বৰকাকতি হাইস্কুলৰ বান শিবিৰত আশ্ৰয় লৈ থকা লোকসকলৰ অভাব-অভিযোগৰ বুজ লয়।

০০০০০০০০

চৰাইদেউ মৈদাম ক্ষেত্ৰই ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰই স্বীকৃতি লাভ কৰাটো প্ৰায় নিশ্চিত হৈ পৰিছে। ২১ জুলাইৰ পৰা নতুন দিল্লীত অনুষ্ঠিত ইউনেস্কোৰ ৪৬ সংখ্যক অধিৱেশনৰ যিকোনো এটা দিনত এই স্বীকৃতি ঘোষণাৰ সম্ভাৱনা আছে। ৩১ জুলাইলৈকে হ'বলগীয়া এই অধিৱেশনত ভাৰতকে ধৰি ১৫০ খন দেশে অংশগ্ৰহণ কৰিছে। উল্লেখযোগ্য যে ৰাজ্য চৰকাৰে চৰাইদেউৰ মৈদাম ক্ষেত্ৰক ইউনেস্কোৰ বিশ্ব ঐতিহ্য ক্ষেত্ৰৰ তালিকাত অন্তৰ্ভুক্ত কৰাৰ বাবে সকলো পদক্ষেপ গ্ৰহণ কৰিছে।

০০০০০০০০

ঃসমাপ্তঃ